**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। বিকল্প শক্তিৰ উৎস হিচাপে নুমলীগড়ত দেশৰ দ্বিতীয়টো হাইড্ৰ'জেন প্ৰকল্প আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
২। সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানী সংযোগ বিষয়ক তদন্তৰ বাবে গঠন কৰা এছ্ আই টিৰ মুখ্যমন্ত্ৰীৰ ওচৰত প্ৰতিবেদন দাখিল।
৩। জনজাতিকৰণৰ দাবীত ৰাজ্যত মৰাণ আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰতিবাদী কাৰ্যসূচী।আক্ৰাছুৰ আন্দোলনত আৰক্ষীৰ লাঠীচালনা। ধুবুৰীত সান্ধ্য আইন।
৪। আসন্ন বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ। **আৰু**
৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ইউ এ ইক পৰাস্ত কৰি ভাৰতৰ জয়েৰে অভিযান আৰম্ভ।

০০০০০০

নুমলীগড়ত দেশৰ দ্বিতীয়টো হাইড্ৰ'জেন প্ৰকল্প আৰম্ভ কৰা হ'ব। বিকল্প শক্তিৰ উৎস হিচাপে এই প্ৰকল্পটো আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নুমলীগড় ভ্ৰমণকালত সাংবাদিকৰ আগত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৪ ছেপ্তেম্বৰত নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লৈ মুখ্যমন্ত্ৰীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয়, যে হাইড্ৰ'জেন প্ৰকল্পৰ বাবে যাৱতীয় প্ৰস্তুতি ইতিমধ্যে আৰম্ভ হৈছে।

বাইট

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী মোদীৰ আগমণৰ পূৰ্বে কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষক, নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষ তথা সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্য্যালোচনা বৈঠকত মিলিত হয়। ড° শৰ্মাই নুমলীগড়ৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি উদ্বোধন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধন কৰিবলগীয়া প্ৰকল্পসমূহৰ বিষয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক সন্মান জনাই নুমলীগড় আৰু মণিপুৰৰ মোৰে সংযোগী ৩৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নুমলীগড় শোধনাগাৰক সংযোগ কৰা ২ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা প্ৰধানমন্ত্ৰী নিম আলিবাট হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ছশ নিম পুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত আৰম্ভ কৰা এই পদক্ষপেৰ অংশ হিচাপে কালি মুখ্যমন্ত্ৰী ড° শৰ্মাই এটা নিম পুলি ৰোপণ কৰে।

প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

শ্ৰীমোদীয়ে ১৩ ছেপ্তেম্বৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে গুৱাহাটীত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত ৰাজ্যৰ এহেজাৰৰো অধিক শিল্পীয়ে ভূপেন হাজৰিকাৰ ১৪ টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থ উন্মোচন কৰা হ'ব।

oooooo

সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানী সংযোগ বিষয়ক সমস্ত বিষয়সমূহ পৰীক্ষা কৰাৰ বাবে গঠন কৰা বিশেষ তদন্ত গোট চমুকৈ এছ আই টিয়ে কালি সন্ধিয়া ৬ বজাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত প্ৰতিবেদন দাখিল কৰে। তাৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ২০২৫ চনৰ ১৭ ফেব্ৰুৱাৰীত অসম কেবিনেটে এজন পাকিস্তানী নাগৰিক আলী টৌকিৰ শ্বেখ আৰু তেওঁৰ সহযোগীসকলৰ ভাৰত বিৰোধী কাৰ্যকলাপৰ বাবে বিশেষ তদন্ত গোট গঠন কৰিছিল বুলি প্ৰকাশ কৰে। তদন্তত উন্মোচন হোৱা তথ্য অনুসৰি আমাৰ জাতিৰ সাৰ্বভৌমত্বক ক্ষতিগ্ৰস্ত কৰাৰ বাবে এক বৃহৎ ষড়যন্ত্ৰ পোহৰলৈ আহিছে। তেওঁ আৰু উল্লেখ কৰে যে আলী টৌকিৰ শ্বেখৰ কাৰ্যকলাপৰ সৈতে এগৰাকী বৃটিছ্ নাগৰিক জড়িত হোৱাৰ কথা স্পষ্ট হৈছে আৰু যিগৰাকীয়ে এগৰাকী ভাৰতীয় সাংসদৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈছে। তদন্তত পাকিস্তান চৰকাৰৰ গৃহ মন্ত্ৰালয়ে এজন ভাৰতীয় সাংসদক পাকিস্তান ভ্ৰমণৰ বাবে কেনেদৰে সুবিধা কৰি দিছিলে সেই কথাও স্পষ্ট হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অসম চৰকাৰে বিশেষ তদন্ত গোটৰ প্ৰতিবেদন বিশেষভাৱে পৰীক্ষা কৰি ৰাজ্যিক কেবিনেটৰ সন্মুখত দাখিল কৰাৰ পাছতে কেবিনেটত বিষয়টো সন্দৰ্ভত আলোচনা কৰা হ'ব আৰু তথ্যসমূহ ৰাজহুৱা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooooo

প্ৰধানমন্ত্ৰীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৩ ছেপ্তেম্বৰৰ শনিবাৰৰ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। জ্যেষ্ঠ সাংবাদিক আৰু ৰাজনৈতিক বিশ্লেষকে অংশগ্ৰহণ কৰিবলগীয়া এই অনুষ্ঠানত আকাশবাণীৰ আইজল আৰু ইম্ফলৰ সংবাদদাতা দুগৰাকীও টেলিফোনযোগে সংযুক্ত হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooo

২০২৬ চনত বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যত জনজাতিকৰণৰ দাবীত আন্দোলন পুনৰ আৰম্ভ হৈছে। জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসনৰ দাবীত কালি তিনিচুকীয়া জিলাত সদৌ মৰাণ ছাত্ৰ সন্থাৰ নেতৃত্বত এটা বৃহৎ জোঁৰ সমদল উলিওৱা হয়। জনজাতিকৰণ মৰাণসকলৰ নাৰ্য্য প্ৰাপ্তি বুলি দাবী কৰি এই লৈ কোনোধৰণৰ ৰাজনৈতিক বঞ্চনা সহ্য কৰা নহ'ব বুলি জনগোষ্ঠীটোৰ হাজাৰ হাজাৰ প্ৰতিনিধিয়ে কালি তিনিচুকীয়া চহৰত এই প্ৰতিবাদত ভাগ লয়। তিনিচুকীয়া আই টি আই খেলপথাৰৰ পৰা নগৰখনৰ থানা চাৰিআলি লৈ প্ৰায় ৫ কিলোমিটাৰ পথজুৰি জোঁৰ সমদল কৰি প্ৰতিবাদী মৰাণ জনসাধাৰণে প্ৰতিবাদ সাব্যস্ত কৰি এখন প্ৰতিবাদী সভাও অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত ডিব্ৰুগড় আৰু অৰুণাচল প্ৰদেশৰ আৱাসী মৰাণ সকলেও অংশগ্ৰহণ কৰে। মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়াই অসমৰ অন্যতম আদিম জনগোষ্ঠী মৰাণসকলৰ জাতিগত সুৰক্ষাৰ বাবে প্ৰয়োজন হ'লে অৰ্থনৈতিক অৱৰোধো কৰা হ'ব বুলি মন্তব্য কৰে।

কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্যৰ দাবীত আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ নেতৃত্বত ধুবুৰী জিলা আক্ৰাছুৰ উদ্যোগত গোলকগঞ্জত কালি এটা জোঁৰ সমদল উলিওৱা হয়। প্ৰশাসনে আৰক্ষী আৰু

অর্ধসামৰিক বাহিনী মোতায়েন কৰাৰ পাছতো কোচ ৰাজবংশী জনগোষ্ঠীৰ কেইবাশ অংশগ্ৰহণকাৰীয়ে গোলকগঞ্জৰ চিলাৰায় মহাবিদ্যালয়ত উপস্থিত হৈ সমদল কৰি ৰাস মেলা ময়দানত সমবেত হয়। ইয়াৰ পাছত সমদলকাৰীসকলে জোঁৰ লৈ জনজাতিকৰণৰ দাবীত পৰিৱেশ উত্তাল কৰি তোলে। আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে প্ৰতিবাদকাৰীসকলক ছত্ৰভংগ দিবলৈ লাঠীচালনা কৰে। লাঠীচালনাত অৰ্ধশতাধিক প্ৰতিবাদকাৰী আহত হয়। সংকটজনক অৱস্থাত ইয়াৰে একাংশক প্ৰাথমিক চিকিৎসাৰ পাছত ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ধুবুৰী জিলাত সান্ধ্য আইন জাৰি কৰা হৈছে। প্ৰতিবাদকাৰীৰ ওপৰত আৰক্ষীয়ে লাঠীচালনা কৰা ঘটনাক সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু ধুবুৰী পশ্চিম জিলা আক্ৰাছুৱে গৰিহণা দিছে। নিৰস্ত্ৰ প্ৰতিবাদকাৰীক আক্ৰমণৰ এই ঘটনাৰ প্ৰতিবাদত আজি আক্ৰাছুৱে ১২ ঘণ্টীয়া ধুবুৰী জিলা বন্ধ ঘোষণা কৰিছে। ধুবুৰী আৰক্ষী অধীক্ষকে ঘটনাৰ পৰিপ্ৰেক্ষিতত গোলকগঞ্জ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেৱজিত কলিতা আৰু গৌৰীপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চিৰঞ্জীৱ লাহনক ৰিজাৰ্ভ ক্ল'জ কৰিছে। পৰিস্থিতিৰ বুজ লৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ধুবুৰী জিলা আৰক্ষী অধীক্ষকক ৫ দিনৰ ভিতৰত উপ মহাপৰিদৰ্শক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। মন্ত্ৰীগৰাকীয়ে চিকিৎসাধীন হৈ থকা প্ৰতিবাদকাৰীসকলৰ স্বাস্থ্যৰ বুজ লয়। এই সন্দৰ্ভত বিতং তথ্যৰ সৈতে ধুবুৰী জিলাৰ পৰা আমাৰ সংবাদদাতা প্ৰদীপ সাহা—

**ভইচ**

oooooo

আসন্ন বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। **ওদালগুৰি** জিলাৰ ভেৰগাঁও পৰিষদীয় সমষ্টিত কালি ইউ পি পি এল দলৰ এখন সংকল্প সভা অনুষ্ঠিত হয়। বিটিচিৰ খৈৰাবাৰী, ভেৰগাঁও, নোনাই ছেৰফাং, খালিংদুৱাৰ আৰু মুদৈবাৰী পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীকেইগৰাকীৰ সমৰ্থনত চলোৱা এই প্ৰচাৰ সভাত দলৰ সভাপতি প্ৰমোদ বড়োৱে অংশগ্ৰহণ কৰে। তেওঁ বি টি আৰৰ ২৬ টা জনগোষ্ঠীৰ জনসাধাৰণৰ শান্তি-সম্প্ৰীতি আৰু প্ৰগতিৰ স্বাৰ্থত বি টি চিত পুনৰ ইউ পি পি এল দলক চৰকাৰ গঠনৰ সুযোগ দিয়াৰ বাবে ৰাইজৰ প্ৰতি আহ্বান জনায়।

**বাক্সা** জিলাত প্ৰতিটো ৰাজনৈতিক দলে ভোটদাতাৰ মন জয় কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। ৰাইজৰ দলে প্ৰথমবাৰৰ বাবে এই নিৰ্বাচনত অৱতীৰ্ণ হৈছে। কালি থমনাত দলটোৱে দিহিৰা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। অন্যান্য দলসমূহেও জিলাখনত প্ৰচাৰ চলাই আছে। জিলাখনৰ শালবাৰী পৰিষদীয় সমষ্টিৰ উত্তৰ ভকুৱামাৰীত কালি সন্ধিয়া বি পি এফ দলৰ এখন যোগদান সভা অনুষ্ঠিত হয়। এই সভাত বিজেপি আৰু ইউ পি পি এল দলৰ শতাধিক কৰ্মীয়ে বি পি এফত যোগ দিয়ে।

**চিৰাং** জিলাৰ বাসুগাঁৱৰ শাকাতি গাঁৱৰ ৰাজহুৱা খেল-পথাৰত কালি চিৰাং পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ হৈ মন্ত্ৰী কৌশিক ৰায় আৰু বিধায়ক ৰমাকান্ত দেউৰীয়ে প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

**তামুলপুৰ** জিলাৰ নাগ্ৰীজুলি সমষ্টিৰ কুম্ভিৰজাৰত কালি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ বি টি আৰৰ জনসাধাৰণৰ সম উন্নয়নৰ বাবে বিজেপি প্ৰাৰ্থীগৰাকীক জয়ী কৰিবলৈ আহ্বান জনায়। এই সভাত বহু লোকে বিজেপিত যোগ দিয়ে।

তামুলপুৰ জিলা আয়ুক্ত কাৰ্যালয়ত বি টি চি নিৰ্বাচনৰ ব্যয় সন্দৰ্ভত কালি এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত নিৰ্বাচনী পৰ্যবেক্ষকদ্বয় - অতুল কুমাৰ শৰ্মা, ক্ষিতিশ চন্দ্ৰ পেগু আৰু অতিৰিক্ত জিলা আয়ুক্ত হেমাশ্ৰী খনিকৰে নিৰ্বাচনী ব্যয় সম্পৰ্কীয় নীতি-নিয়মসমূহ ব্যাখ্যা কৰে। জিলাখনৰ আয়ুক্ত কাৰ্যালয়ত কালি এই নিৰ্বাচনৰ বাবে বেলট বক্স ৰেণ্ডমাইজেচন সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলা নিৰ্বাচনী বিষয়া পংকজ

চক্রৱৰ্তীয়ে জিলাখনৰ পাঁচটা পৰিষদীয় সমষ্টিৰ ৩৯৫ টা ভোটগ্ৰহণ কেন্দ্ৰত কিমান বেলট বক্স বিতৰণ কৰা হৈছে সেই বিষয়ে প্ৰকাশ কৰে।

ৰাজ্যিক নিৰ্বাচন আয়োগে বি টি চি নিৰ্বাচনৰ বাবে ওজৰ-আপত্তি নিষ্পত্তি প'ৰ্টেল মুকলি কৰিছে। জনসাধাৰণে আদৰ্শ নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ বিষয়ে ফটো অথবা ভিডিঅ' প্ৰমাণসহ এই প'ৰ্টেলযোগে অৱগত কৰিব পাৰিব আৰু অভিযোগৰ স্থিতি সন্দৰ্ভত জানিব পাৰিব।

০০০০০০

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হেজাৰ ৫৫০ টা পদৰ প্ৰথমখন অস্থায়ী যোগ্যতাৰ তালিকা কালি নিশা প্ৰকাশ কৰে। সঞ্চালকালয়ে dee.assam.gov.in ৱেবছাইটৰ জৰিয়তে এই তালিকা প্ৰকাশ কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা অনুসৰি যাৱতীয় প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত বাছনি লাভ কৰা প্ৰাৰ্থীসকলক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণা মৰ্মে ১০ অক্টোবৰত নিযুক্তি প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে এই প্ৰাৰ্থীৰ তালিকা প্ৰকাশৰ ক্ষেত্ৰত পূৰ্বে উচ্চ ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰিছিল যদিও কালি নায়ালয়ে এই স্থগিতাদেশ প্ৰত্যাহাৰ কৰে।

০০০০০০

গোৱালপাৰা জিলাৰ জলেশ্বৰত ব্ৰহ্মপুত্ৰৰ খহনীয়াই জটিল ৰূপ ধাৰণ কৰিছে। জলেশ্বৰৰ ফেৰীঘাট এলেকাত খহনীয়াৰ ফলত জলেশ্বৰ বজাৰৰ লগতে জলেশ্বৰ আৰক্ষী চকী, আদৰ্শ চিকিৎসালয় আৰু অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠানৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে কালি যন্ত্ৰচালিত নাৱেৰে খহনীয়াৰ পৰিদৰ্শন কৰে। তেওঁ জলসম্পদ বিভাগৰ কৰ্মচাৰী বিষয়াসকলক আজিৰেপৰা স্পৰ্শকাতৰ এলেকাসমূহত জিঅ' বেগৰ জৰিয়তে খহনীয়া ৰোধৰ কাম কৰিবলৈ নিৰ্দেশ দিয়ে। এই সন্দৰ্ভত সাংবাদিকৰ আগত আয়ুক্তগৰাকীয়ে এইদৰে কয় –

বাইট

০০০০০০

**ভাৰতে পুৰুষৰ এছিয়া কাপ টী-২০ ক্ৰিকেট প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। গ্ৰুপ-এত নিজৰ প্ৰথমখন খেলত ভাৰতে যোৱা নিশা সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ- ইউ এ ইৰ বিৰুদ্ধে ৯ উইকেটত অনায়াসে জয়লাভ কৰে। ইউ এ ইৰ দলটোৱে প্ৰথমে বেট ধৰি ভাৰতৰ সন্মুখত ৫৮ ৰানৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত ভাৰতে ৪ অভাৰ আৰু ৩টা বলত এটা উইকেটৰ বিনিময়ত ৬০ ৰান কৰি জয়লাভ কৰে। অ'পেনাৰ অভিষেক শৰ্মাই ১৬টা বলত দুটা 'চাৰি' আৰু তিনিটা 'ছয়'ৰে ৩০ ৰান কৰে। প্ৰাৰম্ভিক যুটীত শুভমন গীলৰ সৈতে অভিষেকে ৩ অভাৰ আৰু ৫টা বলত ৪৮ ৰান যোগ দিয়ে। শুভমনে ৯টা বলত দুটা 'চাৰি' আৰু এটা 'ছয়'ৰে অপৰাজিতভাৱে ২০ ৰানৰ বৰঙণি যোগায়। ইয়াৰ পূৰ্বে ভাৰতৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।**

**ইউ এ ইৰ দলটোৱে ১৩ অভাৰ আৰু এটা বলত মাত্ৰ ৫৭ ৰানতে ইনিংছ সামৰে। দলটোৰ হৈ কেৱল আলিশান শ্বাৰাফুৱে ২২ ৰান আৰু মহম্মদ ৱাছীমে ১৯ ৰানৰ দুটা অংকৰ স্ক'ৰত উপনীত হয়। ভাৰতৰ কুলদীপ যাদৱে ৭ ৰানত চাৰিটা আৰু শিৱম ডুবেই ৪ ৰানত তিনিটা উইকেট দখল কৰে। প্ৰতিযোগিতাত ১৪ ছেপ্টেম্বৰত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।**

০০০০০০

ভূ-বিজ্ঞান আৰু হিমালয় অধ্যয়ন কেন্দ্ৰই অৰুণাচল প্ৰদেশৰ টাৱাঙৰ গেৰিচেন ৰেঞ্জৰ খাংৰি হিমবাহৰ নিৰীক্ষণৰ সময়ত হিমবাহটো ক্ৰমান্বয়ে তাৎপৰ্যপূৰ্ণভাৱে গলিবলৈ ধৰা পৰিলক্ষিত কৰিছে। হিমবাহটোৰ গলনৰ হাৰ বৃদ্ধি পাই এবছৰত প্ৰায় ডেৰ মিটাৰ বৰফ বিগলিত হৈছে বুলি কেন্দ্ৰটোৰ পৰ্যবেক্ষক বিজ্ঞানীসকলৰ অধ্যয়নত প্ৰকাশ

পাইছে। ২০১৬ চনৰ পৰা চলিত বৰ্ষলৈকে কৃত্ৰিম উপগ্ৰহৰ ছবিৰ বিশ্লেষণত মাগ্ৰু শ্বু অববাহিকাৰ খাংৰি হিমবাহৰ বাদেও অন্যান্য হিমবাহবোৰ গলি তুষাৰ ৰেখা ক্ৰমাৎ পিছুৱাই যোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ফলত হিমবাহ হ্ৰদৰ সংখ্যা আৰু আকাৰো বৃদ্ধি পাইছে। হিমবাহ হ্ৰদসমূহৰ পৰিবৰ্ধিত জলপৃষ্ঠই অৰুণাচল প্ৰদেশ আৰু ৰাজ্যখনৰ পৰ্বতমালাৰ পৰা বৈ অহা নদীসমূহৰ অববাহিকা অঞ্চলত ভয়াবহ বান পৰিস্থিতিৰ সৃষ্টি কৰা সম্ভাৱনা আছে। উল্লেখযোগ্য কেন্দ্ৰীয় জল আয়োগৰ শেহতীয়া নিৰীক্ষণ প্ৰতিবেদনত ভাৰতৰ ৪০০ৰো অধিক হিমবাহ হ্ৰদৰ জলপৃষ্ঠ বিপদজনক মাত্ৰালৈ বৃদ্ধি পাইছে। এই ৪০০ হিমবাহ হ্ৰদৰ ভিতৰত ১৯৭টা হ্ৰদ অৰুণাচল প্ৰদেশত আছে। এই হ্ৰদসমূহৰ জলপৃষ্ঠ বৃদ্ধি পোৱা ঘটনা অৰুণাচল প্ৰদেশৰ উপৰি অসমৰ নদী অববাহিকাৰ কাৰণে তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০০০

কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পাকিস্তান লিংক সন্দৰ্ভত গঠিত অসমৰ আৰক্ষীৰ SIT য়ে মুখ্যমন্ত্ৰীক প্ৰতিবেদন দাখিল কৰা সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে বাতৰিটো আলোকচিত্ৰ সহ প্ৰকাশ কৰিছে।

১৯ খন জিলাত পতঞ্জলি সহ ৫ তা কোম্পানীয়ে ক্ষতিকাৰক তৈল খেজুৰৰ খেতিৰ দায়িত্ব লাভ কৰি বিধে বিধে চৰকাৰী সুবিধা লাভ কৰিছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে । ফিচ্চ ৰেটিংৰ পূৰ্বানুমানত চলিত বৰ্ষত দেশৰ বিকাশৰ হাৰ ৬.৯% লৈ বৃদ্ধি হব. এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জনজাতিকৰণৰ দাবীত তিনিচুকীয়াত মৰাণ জনগোষ্ঠীৰ লোকে কালি বিশাল প্ৰতিবাদ সাব্যস্ত কৰে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই বাতৰিটোক আন কাকত সমূহেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰতৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীক উত্তৰ পূৰ্বাঞ্চলৰ লোক আৰু ইয়াৰ সংস্কৃতি জানিবলৈ অঞ্চলটোলৈ প্ৰেৰণ কৰাৰ কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা কৰিছে। কেন্দ্ৰীয় দনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ উদ্ধৃতিৰে বাতৰিটো The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসম চৰকাৰে তদন্তৰ পাছত অসম ভূমি আৰু ৰাজহ সেৱাৰ বিষয়া আশীৰ্বাদ হাজৰিকাক  চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। এই বাতৰিটো The Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দুৰ্গা পূজাৰ পূৰ্বে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰা হব বুলি মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণাক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰতীয় শিক্ষাৰ্থীৰ ৮০%ৰ ভিছা কানাডাই নাকচ কৰিছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰতৰ উপৰত ১০০ % শুল্ক আৰোপ কৰিবলৈ ইউৰোপীয় সংঘক মাৰ্কিন ৰাষ্ট্ৰপতি দনাল্ড ট্ৰাম্পে পৰামৰ্শ দিছে।  এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জলজীৱনৰ ঠিকাদাৰ বীৰেন তামুলী হত্যাৰ তদন্ত অসম আৰক্ষীৰ অপৰাধ শাখাক দিয়া হৈছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত